# অসম আদিত্য

১৫ কাতি, ১৯৪৬ শক ■ শুকুৰবাৰ, ১ নৱেম্বৰ, ২০২৪ ■ Asom Aditya, Dibrugarh, Friday, November 1, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহা


ৰ সদস্য ভৰ্তিৰ
প সাধাৰণ সদস্য
সদস্য স্বীকৃতি
স্যসকলৰ মাজত
সভাত সোনোৱাল
ত্য সভাৰ উপ-
দ্ৰ নাথ সোনোৱাল,
কৃদিগন্ত হাজৰিকা,
ার্যনির্বাহক সদস্য
লেন সোনোৱাল,
ানোৱাল, ডিব্ৰুগড়
সম্পাদক আদিত্য
প্ৰাক্তন সভাপতি
নোৱালৰ লগতে
ান্য ব্যক্তিসকল
ক। সভাৰ শেষত
আগবঢ়ায় ভাদৈ
মিতিৰ সম্পাদক
ৱালে।

### কানৈ মহাবিদ্যালয়ত অসমীয়া বিভাগৰ বক্তৃতানুষ্ঠানত প্ৰাধ্যাপক ড° জিতু বৰা

# অসমীয়া ভাষা জীয়াই ৰাখিবলৈ হ'লে প্ৰত্যেকেই ভাষাটো আত্মস্থ কৰিব লাগিব

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৮ অক্টোবৰ ঃ** অসমীয়া ভাষা জীয়াই ৰাখিবলৈ হ'লে প্ৰত্যেকজন অসমীয়াই ভাষাটো আত্মস্থ কৰিব লাগিব।— ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত অনুষ্ঠিত এক বিশেষ বক্তৃতানুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড০ জিতুবৰাই আজি এইদৰে কয়। 'অসমীয়া ভাষাৰ ধ্ৰুপদী মৰ্যাদা আৰু সংৰক্ষণ, সংবৰ্ধনত অসমীয়াভাষীৰ কৰণীয়' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি অধ্যাপক ড০ বৰাই কয়— অসমীয়া ভাষাই ধ্ৰুপদী মৰ্যাদা পোৱাটো অসমবাসীৰ বাবে গৌৰৱৰ বিষয়। এই প্ৰসংগত তেওঁ ধ্ৰুপদী শব্দৰ ব্যুৎপত্তি, ধ্ৰুপদী ভাষাৰ মৰ্যাদাৰ চৰ্ত, ধ্ৰুপদী ভাষাৰ মৰ্যাদা পোৱা পৰৱৰ্তী সময়ৰ কৰণীয় দিশৰ লগতে অসমীয়া ভাষাৰ সংৰক্ষণ সংবৰ্ধন সম্পৰ্কীয় দিশৰ বিস্তৃত আলোচনা আগবঢ়ায়। অধ্যাপিকা ড০ মুনমী বৰুৱাই আঁত ধৰা অনুষ্ঠানটি উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই। উদ্বোধনী ভাষণ প্ৰসংগত অধ্যক্ষ ড০ শইকীয়াই কয়— আনৰ তেজ লৈ এজন মানুহ কেতিয়াও বেছিদিন জীয়াই থাকিব নোৱাৰে। ঠিক তেনেদৰে নিজ ভাষা এৰি কোনো জাতি বেছিদিন পৃথিৱীত জীয়াই থাকিব নোৱাৰে বুলি মন্তব্য কৰি অসমীয়া ভাষাৰ স্থিতি সম্পৰ্কীয় দিশৰ লগতে ভাষাটো সংৰক্ষণ সম্পৰ্কীয় বিষয়ৰ বিশ্লেষণ আগবঢ়ায়। অনুষ্ঠানত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ প্ৰিয়দেৱ গোস্বামী, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ দীপংকজ গগৈ, অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা শিখামণি কোচ দেউৰীকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শেষত শলাগ জ্ঞাপন কৰে শৈক্ষিক সমন্বয়ক ড০ মৃদুল শৰ্মাই।